**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-JAN-2026
**Time :** 1340 HRS

***Assamese Midday Bulletin***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ নতুন দিল্লীত কমনৱেল্থ ৰাষ্ট্ৰসমূহৰ সংসদৰ অধ্যক্ষ আৰু সভাপতিসকলৰ ২৮ সংখ্যক সন্মিলন মুকলি কৰিব।

২। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে সশস্ত্ৰ বাহিনীৰ প্ৰাক্তন সৈনিকসকলক ৰাষ্ট্ৰয় চেতনাৰ জীৱন্ত স্তম্ভ, সমূহীয়া শাসকৰ প্ৰতীক আৰু ভৱিষ্যৎ প্ৰজন্মৰ বাবে অনুপ্ৰেৰণা উৎস বুলি অভিহিত কৰিছে।

৩। ৰাষ্ট্ৰীয় হালধি পৰিষদে কৃষকসকলক সবল কৰি তুলিছে আৰু গোলকীয় পৰ্যায়ত হালধি ৰপ্তানিৰ প্ৰসাৰত অৰিহনা যোগাইছে বুলি বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে প্ৰকাশ কৰিছে।

৪। দেশৰ বিভিন্ন অংশত আজি শস্য চপোৱাৰ উৎসৱ, মকৰ সংক্ৰান্তি পালন কৰা হৈছে।

**আৰু**

৫। ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি ৰাজকোটত অনুষ্ঠিত হৈছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ নতুন দিল্লীত কমনৱেল্থ ৰাষ্ট্ৰসমূহৰ সংসদৰ অধ্যক্ষ আৰু সভাপতিসকলৰ ২৮ সংখ্যক সন্মিলন মুকলি কৰিব। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই এই সন্মিলনত অধ্যক্ষতা কৰিব। ৪২খন কমনৱেল্থ ৰাষ্ট্ৰ আৰু চাৰিখন অৰ্ধস্বায়ত্ত শাসিত ৰাষ্ট্ৰৰ সংসদৰ ৬১গৰাকী অধ্যক্ষ আৰু সভাপতিয়ে সন্মিলনত অংশগ্ৰহণ কৰিব। সন্মিলনত শক্তিশালী গণতান্ত্ৰিক প্ৰতিষ্ঠান বৰ্তাই ৰখাৰ ক্ষেত্ৰত অধ্যক্ষসকলৰ ভূমিকাকে ধৰি ভালেমান সমসাময়িক সংসদীয় বিষয় লৈ বিশদভাৱে আলোচনা কৰা হ'ব। ইয়াৰ লগতে সংসদীয় কাম-কাজত কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যৱহাৰ, সাংসদসকলৰ ওপৰত সামাজিক মাধ্যমৰ প্ৰভাৱ, সংসদৰ বিষয়ে জনসাধাৰণৰ জ্ঞান বৃদ্ধিৰ ৰণনীতি আৰু ভোটদানৰ উপৰি গণতান্ত্ৰিক ব্যৱস্থাৰ আন প্ৰক্ৰিয়াসমূহত জনসাধাৰণৰ অংশগ্ৰহণৰ বিষয়েও সন্মিলনত আলোচনা কৰা হ'ব।

০০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে সশস্ত্ৰ বাহিনীৰ প্ৰাক্তন সৈনিকসকলক ৰাষ্ট্ৰয় চেতনাৰ জীৱন্ত স্তম্ভ, সমূহীয়া শাসকৰ প্ৰতীক আৰু ভৱিষ্যৎ প্ৰজন্মৰ বাবে অনুপ্ৰেৰণা উৎস বুলি অভিহিত কৰিছে। সশস্ত্ৰ বাহিনীৰ প্ৰাক্তন সৈনিক দিৱস উপলক্ষে আজি নতুন দিল্লীত আয়োজিত এটা অনুষ্ঠানত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে এইদৰে মন্তব্য কৰে। তেওঁ কয় যে প্ৰাক্তন সৈনিকসকলে ৰাষ্ট্ৰ গঠন প্ৰক্ৰিয়া সকলো দিশত অৱদান আগবঢ়াই আহিছে আৰু তেওঁলোকৰ নিয়মানুৱৰ্তিতা, নেতৃত্ব আৰু সাহসৰ দৰে গুণেৰে সমাজক পথ প্ৰদৰ্শন কৰি আহিছে। শ্ৰীসিঙে কয় যে ইউনিফৰ্মৰ ৰং আৰু কৰ্মস্থলী সলনি হ'লেও প্ৰাক্তন সৈনিকসকলৰ হৃদয়ত দেশভক্তি আৰু সেৱাৰ ভাৱ অপৰিৱৰ্তিত হৈ থাকে।

০০০০০০

ৰাষ্ট্ৰীয় হালধি পৰিষদে কৃষকসকলক সবল কৰি তুলিছে আৰু গোলকীয় পৰ্যায়ত হালধি ৰপ্তানিৰ প্ৰসাৰত অৰিহনা যোগাইছে বুলি বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে প্ৰকাশ কৰিছে। ৰাষ্ট্ৰীয় হালধি পৰিষদৰ এবছৰ সম্পূৰ্ণ হোৱা উপলক্ষে শ্ৰীগোৱেলে কয় যে পৰিষদে হালধিৰ উৎপাদন বৃদ্ধিত উল্লেখনীয় প্ৰগতি লাভ কৰিছে। পৰিষদে কৃষকসকললৈ আগলৈও সহায়-সমৰ্থন আগবঢ়াই যাব তথা ব্যৱসায় আৰু ৰপ্তানিকাৰীসকলৰ বাবে নতুন সম্ভাৱনাৰ দ্বাৰ মুকলি কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে।

০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে পাঞ্জাবলৈ যাব। তেওঁ কাইলৈ অমৃতসৰৰ গুৰুনানক দেৱ বিশ্ববিদ্যালয়ৰ সোণালী সমাৱৰ্তন অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। পৰহিলৈ ৰাষ্ট্ৰপতিগৰাকীয়ে জলন্ধৰৰ বি আৰ আম্বেদকাৰ ৰাষ্ট্ৰীয় প্ৰযুক্তি প্ৰতিষ্ঠানৰ ২১ সংখ্যক সমাৱৰ্তন সমাৰোহত ভাগ ল'ব। ৰাষ্ট্ৰপতিয়ে ভ্ৰমণ কালত সুউচ্চ ৰাষ্ট্ৰীয় পতাকা আৰু চাইবাৰ সুৰক্ষা তথা ফাইভ-জিৰ বা তাতকৈ উন্নত প্ৰযুক্তি সম্পৰ্কীয় দুটা উৎকৰ্ষ সাধন কেন্দ্ৰ মুকলি কৰিব।

০০০০০০

দেশৰ বিভিন্ন অংশত আজি শস্য চপোৱাৰ উৎসৱ, মকৰ সংক্ৰান্তি পালন কৰা হৈছে। মকৰ সংক্ৰান্তি শীত ঋতুৰ সমাপ্তি আৰু দীঘলীয়া দিনৰ আৰম্ভণিৰ প্ৰতীক। এই উৎসৱ দেশৰ বিভিন্ন প্ৰান্তত ভিন ভিন নামেৰে জনাজাত। অসমত ভোগালী বিহু, তামিলনাডুত পোংগল, গুজৰাটত উত্তৰায়ণ আৰু পশ্চিমবংগত পৌষ সংক্ৰান্তি হিচাপে এই উৎসৱ পালন কৰা হয়।

অসমতো আজি বাপতি সাহোন ভোগালী বিহু উপলক্ষে ব্যাপক উছাহ-উদ্দীপনাৰ পৰিৱেশ বিৰাজ কৰিছে। কালি উৰুকাৰ নিশা প্ৰীতি ভোজ-ভাতৰ পাছত আজি পুৱাই ৰাইজে মেজি জ্বলাই অগ্নিক সেৱা কৰি নেদেখাজনৰ আশিস লয়। ইয়াৰ পাছতে কনিষ্ঠজনে জ্যেষ্ঠজনক সেৱা জনাই আশীৰ্বাদ লয়। সম্প্ৰীতি আৰু সমন্বয়ৰ প্ৰতীক ভোগালী বিহুৰ মেজিৰ জুয়ে সমাজৰ পৰা অসূয়া অপ্ৰীতি দূৰ কৰি শান্তি আৰু সম্প্ৰীতি কঢ়িয়াই অনাৰ বাবে ৰাইজে কামনা কৰে। ভোগালী বিহু উপলক্ষে ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্য্য, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। ৰাজ্যপালগৰাকীয়ে এটা বাৰ্তাত ভোগালী বিহুক অসমৰ চহকী সাংস্কৃতিক ঐতিহ্যৰ অমূল্য সম্পদ বুলি উল্লেখ কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে তেওঁৰ বাৰ্তাত কয় যে অসমীয়া সংস্কৃতিৰ শ্ৰেষ্ঠত্বক প্ৰতিফলিত কৰা এই উৎসৱ আনন্দ আৰু ভাতৃত্ববোধৰ উপলক্ষ। এই উৎসৱে কঠোৰ পৰিশ্ৰমী কৃষকসকলৰ প্ৰচেষ্টাৰ শলাগ লোৱাৰ সুযোগ দিয়ে বুলিও তেওঁ মন্তব্য কৰে। মুখ্যমন্ত্ৰী ডঃ শৰ্মাই সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত ভোগালী বিহুক কৃষিজীৱী চহা সমাজৰ প্ৰাপ্তিৰ আনন্দৰে সমৃদ্ধ তথা অসমীয়াৰ স্পন্দন বুলি অভিহিত কৰে। তেওঁ লগতে সকলোৰে জীৱন সুখ-শান্তি আৰু প্ৰাচুৰ্যৰে ভৰি পৰাৰো কামনা কৰে।

তামিলনাডুত মাৰ্গজী মাহৰ অন্তিম দিনৰূপে উদযাপিত ভোগী পৰ্ব উলহ-মালহেৰে পালন কৰা হয়। পৰম্পৰা অনুসৰি লোকসকলে ঘৰখনৰ পুৰণি সামগ্ৰীবোৰ উলিয়াই সেইসমূহ আহুতি দিয়াৰ লগতে সকলোৱে নিজৰ ঘৰ-দুৱাৰ পৰিষ্কাৰ কৰি ৰঙেৰে সজাই তোলে। তেলেংগানাতো মকৰ সংক্ৰান্তিৰ তিনিদিনীয়া উৎসৱৰ আজি ভোগী উদযাপনেৰে আৰম্ভ হৈছে। ইপিনে হায়দৰাবাদত উৎসৱৰ এই বতৰত ৰং-বিৰঙী চিলাই পৰিৱেশ অধিক ৰঙীন কৰি তুলিছে। ২০ খন ৰাষ্ট্ৰৰ অংশগ্ৰহণেৰে চেকেণ্ডৰাবাদৰ পেৰেড গ্ৰাউণ্ডত অনুষ্ঠিত তেলেংগানা আন্তঃৰাষ্ট্ৰীয় চিলা মহোৎসৱক লৈ অঞ্চলটোত এতিয়া উখল-মাখল পৰিৱেশ।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে কৃষকসকল ৰাষ্ট্ৰ নিৰ্মাণৰ শক্তিশালী অংশীদাৰ আৰু তেওঁলোকৰ প্ৰচেষ্টাই আত্ম নিৰ্ভৰ ভাৰত অভিযানক বহু পৰিমাণে শক্তিশালী কৰি তুলিছে। তেওঁ কয় যে, কেন্দ্ৰই কৃষকসকলক সৱলীকৰণৰ বাবে দায়বদ্ধ আৰু এই দিশত নিৰৱচ্ছিন্ন ভাৱে কাম কৰি আছে। নতুন দিল্লীত কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ ৰাজ্য মন্ত্ৰী ড০ এল মুৰুগানৰ বাসগৃহত আজি আয়োজিত পংগল উদযাপনত অংশগ্ৰহণ কৰি শ্ৰীমোডীৱে এই মন্তব্য কৰে।

প্ৰধানমন্ত্ৰীয়ে কয়, পোংগলে প্ৰকৃতি, পৰিয়াল আৰু সমাজৰ সৈতে সন্তুলন সৃষ্টিৰ পথ দেখুৱাইছে। তেওঁ কয়, পংগলে সজীৱ তামিল সংস্কৃতি আৰু প্ৰকৃতিৰ সৈতে বান্ধোনক উদযাপন কৰে। তেওঁ কয় , পোংগল এতিয়া বিশ্বব্যাপী উৎসৱত পৰিণত হৈছে আৰু ইয়াত দেশৰ কৃষকৰ কঠোৰ পৰিশ্ৰমৰ উদযাপন কৰা হয়। তেওঁ কয় যে এই উৎসৱ হৈছে ভূমি আৰু সূৰ্য্যৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰাৰ এক অনুষ্ঠান।

০০০০০০

সেনা প্ৰধান জেনেৰেল উপেন্দ্ৰ দ্বিবেদীয়ে আজি কয় যে অপাৰেচন সিন্দুৰ দেশৰ সংকল্প আৰু সংযমৰ সংজ্ঞায়িত প্ৰদৰ্শন, যিয়ে সশস্ত্ৰ বাহিনীৰ নৈতিক শক্তি আৰু পেছাদাৰী উৎকৰ্ষতাক প্ৰতিফলিত কৰে। নতুন দিল্লীত অনুষ্ঠিত নেশ্যনেল কেডেট কৰ্পছৰ গণৰাজ্য দিৱসৰ পেৰেড কেম্প ২০২৬ত ভাষণ দি জেনেৰেল দ্বিবেদীয়ে এইদৰে কয়।

সেনা প্ৰধানগৰাকীয়ে কয় যে অপাৰেচন সিন্দুৰৰ সময়ত সমগ্ৰ দেশতে ৭৫ হাজাৰৰো অধিক এনচিচি কেডেটে স্বেচ্ছাসেৱক হিচাপে কাম কৰিছিল, আৰু অসামৰিক প্ৰতিৰক্ষা, চিকিৎসালয় পৰিচালনা, দুৰ্যোগ সাহায্য, আৰু সামূহিক সেৱাত অক্লান্তভাৱে কাম কৰিছিল। তেওঁ কয় যে এনচিচিৰ কেডেটসকলে ঐক্য আৰু অনুশাসনৰ মূলমন্ত্ৰৰ উদাহৰণ দাঙি ধৰে। জেনেৰেল দ্বিবেদীয়ে লগতে কয় যে বিকশিত ভাৰত ২০৪৭ৰ দৃষ্টিভংগী কেৱল যুৱ নেতা, এনচিচিৰ কেডেট , উদ্ভাৱক, শিক্ষক, অভিযন্তা, চিকিৎসক, সৈনিক, আৰু দায়িত্বশীল নাগৰিকেহে সামূহিকভাৱে লাভ কৰিব পাৰিব।

০০০০০০

বেংককৰ পৰা থাইলেণ্ডৰ উত্তৰ-পূব অঞ্চললৈ যোৱা এখন যাত্ৰীবাহী ৰে'লত এখন ক্ৰেন ইয়াৰ এটা ডবাত খহি পৰাত আজি এক দুৰ্ঘটনাত পতিত হয়। এই ঘটনাত ২২ জন লোকৰ মৃত্যু হোৱাৰ লগতে ৩০ জনতকৈ অধিক লোক আহত হয়। থাইলেণ্ডৰ আৰক্ষী বিষয়াসকলে জনোৱা মতে , থাইলেণ্ডৰ ৰাজধানীৰ পৰা প্ৰায় ২৩০ কিলোমিটাৰ উত্তৰ-পূবত অৱস্থিত নাখন ৰাটচাচিমা প্ৰদেশৰ ছিখিঅ ' জিলাত এই দুৰ্ঘটনা ঘটে। ৰেলখন উবন ৰাটচাথানি প্ৰদেশলৈ গৈ আছিল। থাইলেণ্ডৰ পৰিবহণ মন্ত্ৰী ফিফাট ৰাটচাকিটপ্ৰকাৰ্ণে জনোৱা মতে , ৰে'লখন দুৰ্ঘটনাগ্ৰস্ত হোৱাৰ সময়ত প্ৰায় ১৯৫ জন যাত্ৰী আছিল।
অগ্নিনিৰ্বাপক বাহিনী, চিকিৎসা দল, দুৰ্যোগ সঁহাৰি ইউনিটকে ধৰি জৰুৰীকালীন দল সমূহক উদ্ধাৰ আৰু সাহায্য অভিযান চলাবলৈ ততাতৈয়াকৈ সেই স্থানলৈ প্ৰেৰণ কৰা হয়।

০০০০০০

ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি ৰাজকোটৰ নিৰঞ্জন শ্বাহ ষ্টেডিয়ামত অনুষ্ঠিত হৈছে। খেলখনত ভাৰতে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি বাতৰি যুগুতোৱাৰ পৰলৈকে তিনি অভাৰত এটাও উইকেট নেহেৰুওৱাকৈ ২ ৰাণ সংগ্ৰহ কৰি খেলি আছিল। ভাৰতে যোৱা দেওবাৰে বদোদৰাত অনুষ্ঠিত শৃংখলাৰ প্ৰথমখন খেলত নিউজিলেণ্ডক ৪ উইকেটত পৰাস্ত কৰি শৃংখলাত ১-০ৰ অগ্ৰগতি লাভ কৰিছে। শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল অহা দেওবাৰে ইন্দোৰত অনুষ্ঠিত হ'ব।

০০০০০০

মহিলা প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাত আজি নৱী মুম্বাইৰ ড০ ডি ৱাই পাটিল স্পৰ্টছ একাডেমীত হ'বলগীয়া এখন খেলত ইউ ৱাৰিয়ৰ্ছ, ডেলহি কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। প্ৰতিযোগিতাত যোৱা নিশা একেটা ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত মুম্বাই ইণ্ডিয়ানছে গুজৰাট জায়েণ্টছক ৭ উইকেটত পৰাস্ত

কৰে। দলটোৱে ১৯৩ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৯ অভাৰত আৰু দুটা বলত ৩টা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্য অতিক্ৰম কৰে। মুম্বাইৰ হৈ অধিনায়ক হৰমনপ্ৰীত কৌৰে সৰ্বাধিক ৭১ ৰান কৰে। কৌৰলৈ খেলখনৰ শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা আগবঢ়োৱা হয়।

ইয়াৰ পূৰ্বে প্ৰথমে বেটিং কৰাৰ আমন্ত্ৰণ লাভ কৰি গুজৰাটে নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেট হেৰুৱাই ১৯২ ৰান কৰে। জৰ্জিয়া ৰেৰহামে সৰ্বাধিক ৪৩ ৰান কৰি আউট নোহোৱাকৈ থাকে।

oooooo

অহা ১৭ জানুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত গুৱাহাটীৰ সৰু সজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত বাগুৰুম্বা নৃত্য পৰিবেশন কৰা হ'ব। **বাগুৰুম্বা দ'হৌ-২০২৬** শীৰ্ষক এই পৰিৱেশনে বিহু আৰু ঝুমইৰ বিনন্দিনীৰ পাছত বড়োসকলৰ বাগৰুম্বা নৃত্যক বিশ্ব দৰবাৰত তুলি ধৰিব বুলি ৰাজ্য চৰকাৰে আশা প্ৰকাশ কৰিছে।

oooooo

**সমাপ্ত**